# শ্বহীদ দিৱসত

## মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ)ৰ বক্তব্য


১৭মে, ২০০২



অসমত মানৱ অধিকাৰ আন্দোলনৰ জন্মদাতা সকলৰ অন্যতম, 'মাছ'ৰ প্ৰতিস্থাতা সচিব প্ৰধান, নিৰ্ভীক সাংবাদিক শ্বহীদ পৰাগ কুমাৰ দাসৰ মৃত্যুৰ ছয় বছৰ হ'ল। পৰাগ দাসৰ হত্যাৰ যি অবিস্মৰণীয় প্ৰতিবাদ অসমৰ ৰাইজে কৰিছিল, হত্যাকাৰীৰ শাস্তি দাবী কৰিছিল, সাংবাদিক মানৱ অধিকাৰ কৰ্মীৰ ওপৰত চৰকাৰী পৃষ্ঠপোষকতাত চলা আক্ৰমণ বন্ধ কৰাৰ দাবী উথাপন কৰিছিল, সেইবোৰলৈ চৰকাৰ, প্ৰশাসন-ন্যায়ালয়, কোনেও গুৰুত্ব দিয়াৰ প্ৰয়োজনবোধ নকৰিলে। জনতাৰ তাৎক্ষণিক বিক্ষোভৰ সন্মুখত ভয়ত বিতস্ত হৈ সেই সময়ৰ মন্ত্ৰী-মুখ্যমন্ত্ৰীকে ধৰি প্ৰশাসনীয় বিষয়া সকলে কোনোবাই ২৪ ঘন্টাত, কোনোবাই এমাহতে হত্যাকাৰীক কৰায়ত্ত কৰাৰ প্ৰতিশ্ৰুতি ঘোষণা কৰিছিল যদিও এইবোৰ যে ৰাইজক আভুৱা ভৰাৰ কৌশলৰ বাদে একো নাছিল সি পিছত প্ৰমাণিত হ'ল। 'মাছ'ৰ উদ্যোগত পৰাগ হত্যাৰ এমাহৰ পিছত জনতা ভৱনৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰাৰ পিছত ততাতৈয়াকৈ চৰকাৰে এজন 'ছালফা' নেতাক পৰাগ হত্যাৰ মূল অভিযুক্ত ৰূপে ঘোষণা কৰিলে যদিও পিছত ঘটনাটোৰ তদন্তকাৰী সংস্থা চি

বি আইয়ে সেইজন 'ছালফা' হত্যাৰ ঘটনাটোত জড়িত নহয় বুলিহে অভিযোগনামা দাখিল কৰিলে।

যি নহওক, ১৯৯৬ চনৰ ১৭ মে'ত পৰাগ কুমাৰ দাসৰ হত্যাৰে আৰম্ভ হোৱা মানৱ অধিকাৰ কৰ্মী হত্যা তথা গুপ্তহত্যাৰ অভিযান তাৎক্ষণিক ভাৱে গণ বিক্ষোভৰ সন্মুখত সাময়িক ভাবে বন্ধ হ'ল যদিও পিছৰ বছৰৰ পৰা পুনৰ আৰম্ভ হোৱা এই হত্যাযজ্ঞত অনেক নির্দোষী লোক আৰু সাতজনকৈ মানৱ অধিকাৰ কৰ্মীয়ে প্রাণ হেৰুৱালে। পিছত এই কথাও ওলাই পৰিল যে এই বিশেষ হত্যা অভিযানটোত স্বয়ং প্রশাসন জড়িত হৈ আছে। চৰকাৰী সিদ্ধান্ত মৰ্মে এই নিধন যজ্ঞ আৰম্ভ কৰা হৈছে। ক'বলৈ গলে গুপ্তহত্যাৰ নেতৃত্ব দিয়াৰ অপৰাধ আৰু দুর্নীতি ভ্রষ্টাচাৰৰ দোষতে প্রফুল্ল মহন্ত নেতৃত্বাধীন অ গ প মৰ্চা চৰকাৰক অসমৰ জনসাধাৰনে শাসনৰ পৰা অপসাৰিত কৰি গুপ্তহত্যা বন্ধৰ প্রতিশ্রুতি দিয়া কংগ্রেছ (ই) দলক দিশপুৰলৈ যোৱাৰ বাট এৰি দিছিল। দুৰ্ভাগ্যৰ কথা যে প্রায় আঠমাহ কাল পৰস্পৰ বিৰোধী বক্তব্য ৰাখি পাৰ কৰা তৰুণ গগৈৰ কংগ্রেছ (ই) চৰকাৰখনে অৱশেষত অৱসৰপ্রাপ্ত ন্যায়াধীশ মীৰা শৰ্মাক লৈ এখন আয়োগ গঠন কৰি নির্দিষ্ট কেইটামান ঘটনাৰহে তদন্তৰ দায়িত্ব দিলে। এই আয়োগে গুপ্তহত্যাৰ বিষয়টো কিদৰে পোহৰলৈ আনে আৰু গুপ্তহত্যাত জড়িত সকলক চিনাক্ত কৰে নে নকৰে, সেই কথা ৰাইজে জানিবলৈ এতিয়াও বাকী। সেয়ে গুপ্তঘাতক আৰু এওঁলোকৰ প্রশাসনীয় পৃষ্ঠপোষক সকলৰ বিচাৰ হোৱাৰ বাবে ৰাইজে উত্থাপন কৰা দাবী পূৰণ হ'বনে নহয়, সি বৰ্তমানো অনিশ্চিত হৈ আছে। কিন্তু একে সময়তে বিদ্রোহ বিৰোধী অভিযানত ছালফা ব্যৱহাৰ নকৰাৰ প্রতিশ্রুতি দিয়া তৰুণ গগৈৰ চৰকাৰৰ এবছৰীয়া শাসন কালত গোৱালপাৰা-ডিব্রুগড়-নগাওঁ আদি জিলাত প্রশাসনে ছালফা ব্যৱহাৰ কৰি আছে আৰু মানৱ অধিকাৰ কৰ্মী তথা নিৰ্দোষী নাগৰিকক ছালফাই ভাবুকি দিয়া কাৰ্য্য অব্যাহত আছে।



## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী ঃ ১

## পৰাগ কুমাৰ দাস, ১৭ মে ১৯৯৬

কেৱল অসমতেই নহয়, ভাৰত তথা বিশ্বৰ মানৱ অধিকাৰ ৰক্ষাৰ্থে কাম কৰা মহলত ব্যাপক প্রতিবাদৰ সৃষ্টি কৰা পৰাগ হত্যাৰ ঘটনাটো সংঘটিত হয় ১৯৯৬ চনৰ ১৭ মে তাৰিখে দিনৰ ২:৪৫ বজাত। যেতিয়া এই শ্বহীদ গৰাকীয়ে ৰাজগড়ত থকা অসম জাতীয় বিদ্যালয়ৰ পৰা নিজৰ সন্তান ঋত্বিক বিদ্যালয়ৰ পৰা আনিবলৈ যায়, তেতিয়াই অসমৰ পৰিবৰ্তনকামী সংগ্রামী ইতিহাস এক শোকাবহ অধ্যায়ৰ সূচনা কৰি নৃশংস ঘাতকে গুলীয়াই হত্যা কৰে সাহসী সাংবাদিক গৰাকীক। ঘাতকৰ গুলিত অসমৰ মানৱ অধিকাৰ আন্দোলনৰ স্রষ্টাগৰাকীৰ ঠিতাতে মৃত্যু হয়। পুত্র ঋত্বিৰ প্রাণ ৰক্ষা পৰে

যদিও তেওঁ আঘাতপ্ৰাপ্ত হয়। তাৰ পিছৰ ঘটনাৱলীয়ে সৃষ্টি কৰিলে আন এক ইতিহাসৰ। এই হত্যাৰ বাতৰিত স্বতঃস্ফুৰ্তভাৱে বন্ধ হৈ পৰিল ৰাজ্যখনৰ অধিকাংশ অঞ্চল। এই বন্ধ পৰবৰ্ত্তী তিনিদিন ধৰি চলি থাকিল। অসমৰ চুকে-কোণে শোকসভা-প্ৰতিবাদ সভা, স্মৰণ সভা, সমদল-শ্ৰাদ্ধ অনুস্থিত হ'ল। বিভিন্ন অনুষ্ঠান আয়োজিত হল শ্বহীদ গৰাকীৰ সোঁৱৰণত। সেই ইতিহাস লিপিবদ্ধ কৰা নিশ্চিত ভাবেই কঠিন। ইয়াত মাত্ৰ এই নৃশংস হত্যাকাণ্ডটোৰ পিছৰ গুৰুত্বপূৰ্ণ ঘটনাৱলী সংক্ষিপ্ত ৰূপত সন্নিবিষ্ট কৰা হৈছে।

**১৮ মে, ১৯৯৬ ঃ** ২৪ ঘন্টাৰ ভিতৰত হত্যাকাৰীক কৰায়ত্ত কৰিবলৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ অসম আৰক্ষীক নিৰ্দেশ। ৪৮ ঘন্টাৰ ভিতৰত হত্যাকাৰী কৰায়ত্ব কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

আলফাৰ সভাপতি আৰু সেনাধিনায়কৰ ঘোষণা- পৰাগ হত্যাকাৰীক চিনাক্ত কৰা হৈছে, শীঘ্ৰে শাস্তি প্ৰদান কৰা হ'ব।

**১৯ মে, ১৯৯৬ ঃ** আলফাৰ দ্বাৰা পৰাগ দাসক জাতীয় শ্বহীদ ঘোষণা আৰু ২১ 'মেত অসম বন্ধৰ আহ্বান। 'মাছ'ৰ দ্বাৰা মানৱ অধিকাৰ আন্দোলনৰ শ্বহীদ ঘোষণা আৰু ২১ 'মেত অসম বন্ধৰ ঘোষণা। আন ৩০ টা সংগঠনৰ অসম বন্ধলৈ সমৰ্থন। হত্যাকাৰীৰ সন্ধেদ দিয়া লোকলৈ অসম আৰক্ষীৰ এক লাখ টকা পুৰস্কাৰ ঘোষণা।

**২২মে, ১৯৯৬ ঃ** দিঘলী পুখুৰীৰ পাৰৰ কংগ্ৰেছ (এছ) কাৰ্যালয়ত অৰ্দ্ধ শতাধিক সংগঠনৰ উপস্থিতিত প্ৰতিবাদ সভা আৰু সভাৰ সিদ্ধান্ত মৰ্মে এক সজাতি দলৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক সাক্ষাৎ।

**২৮ মে, ১৯৯৬ ঃ** ৰাজগড়ত শ্বহীদ গৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ পালন। ৰাজ্যখনৰ তিনি শতাধিক স্থানত ৰাজহুৱা ভাবে আদ্যশ্ৰাদ্ধ পালন। শ্বহীদ গৰাকীৰ চিতাভস্মলৈ 'মাছ'ৰ কৰ্মীদলৰ অসম ভ্ৰমণ আৰম্ভ। ভ্ৰমণকালত বিভিন্ন স্থানত প্ৰতিবাদ সভাত অংশ গ্ৰহণ।

**১৭ জুন, ১৯৯৬ ঃ** পৰাগ হত্যাৰ এমাহৰ পিছতো তদন্তৰ কাম আগ নবঢ়া সম্পৰ্কত চৰকাৰৰ বক্তব্য দাবী কৰি দহ সহস্ৰাধিক লোক জনতা ভৱনৰ সন্মুখত সমবেত হৈ মুখ্যমন্ত্ৰীৰ বক্তব্য দাবী। প্ৰতিবাদী ৰাইজৰ ওপৰত আৰক্ষীৰ গুলি-কন্দুৱা গেছ আৰু লাঠি চালনা। হাজাৰৰো অধিক লোক আহত, এজন গুলিবিদ্ধ।

এই প্ৰতিবাদী কাৰ্যসূচীৰ পিচতে ততাতৈয়াকৈ অসম আৰক্ষীৰ দ্বাৰা 'ছালফা' নেতা প্ৰফুল্ল বড়া ওৰফে সৰ্বজিৎ ঢেকিয়াল ফুকনক হত্যাকাৰী ৰূপে ঘোষণা আৰু পলাতক হত্যাকাৰীজনৰ সন্ধান দিয়া লোকলৈ এক লাখ টকা পুৰস্কাৰ ঘোষণা।

**২৪ জুন, ১৯৯৬ ঃ** পৰাগ হত্যাৰ এক পূৰ্ণ, বিস্তৃত আৰু নিৰপেক্ষ ন্যায়িক তদন্তৰ ব্যৱস্থা কৰিবলৈ এমনেষ্টি ইন্টাৰনেশ্বনেলৰ চৰকাৰৰ ওচৰত দাবী উত্থাপন আৰু পৰাগ হত্যা সম্পৰ্কত এক বিশেষ প্ৰতিবেদন প্ৰকাশ।

**১৫ জুলাই ১৯৯৬ ঃ** আত্মগোপন অৱস্থাৰ পৰাই প্ৰফুল্ল বড়াৰ পৰাগ হত্যাৰ অভিযোগ অস্বীকাৰ।

**২২ নবেম্বৰ ১৯৯৭ ঃ** পৰাগ হত্যাৰ বিষয়টো 'মাছ'ৰ দ্বাৰা ৰাষ্ট্ৰসংঘৰ মানব অধিকাৰ সমিতিৰ বৈঠকত উত্থাপন। সমিতিৰ দ্বাৰা ভাৰত চৰকাৰক প্ৰশ্ন উত্থাপন। ভাৰত চৰকাৰে পৰাগ হত্যাকাৰীক চি বি আইৰ দ্বাৰা তৎকালে চিনাক্ত কৰি বিচাৰ কৰাৰ প্ৰতিশ্ৰুতি।

**২১ জুন ২০০০ ঃ** পৰাগ হত্যাৰ তদন্ত স্থবিৰ হৈ পৰাৰ বাবে অসমৰ চাৰিজন বিশিষ্ট লোক ড° হীৰেণ গোঁহাই, জাহ্নু বৰুৱা, মহেন্দ্ৰ বৰঠাকুৰ আৰু দিলীপ চন্দনৰ দ্বাৰা গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল। পৰাগ হত্যাৰ তদন্ত খৰতকীয়া কৰি প্ৰতিবেদন দাখিল কৰাৰ বাবে চি বি আইক নিৰ্দেশ দিবলৈ আবেদন জনোৱা এই গোচৰ পৰিচালনা কৰে অধিবক্তা প্ৰশান্ত গোস্বামী, অনিল কুমাৰ ভটাচাৰ্য্য, অৰূপ বৰবৰা, ৰীতা বৰবৰা, পংকজ বৰ্মন আৰু বৰ্ণালী চক্ৰবৰ্তীয়ে। আদালতৰ দ্বাৰা চি বি আইক প্ৰতিবেদন দিয়াৰ বাবে ২৬ জুলাই সময় সীমা নিৰ্দ্ধাৰণ।

**৩০ জুলাই, ২০০০ ঃ** চি বি আইৰ তৰফৰ পৰা পৰাগ হত্যাৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে আদালতক তিনিমাহ সময় বিচাৰি আবেদন।

**২৮ নবেম্বৰ ২০০০ ঃ** বহু প্ৰতীক্ষিত পৰাগ হত্যাৰ অভিযোগনামা চি বি আইৰ দ্বাৰা উচ্চ ন্যায়ালয়ত দাখিল। অভিযুক্তৰ তালিকাত দুই মৃত ছালফা তপন দত্ত, দিগন্ত বৰুৱা আৰু শিৱসাগৰৰ ছালফা মৃদুল ফুকন আৰু ডিব্ৰুগড়ৰ নয়ন দাসৰ নাম উল্লেখ। জীৱিত ছালফা দ্বয়ক চি বি আইৰ দ্বাৰা পলাতক ঘোষণা।

**১ ডিচেম্বৰ, ২০০০ ঃ** আবেদনকাৰীৰ অধিবক্তাই অভিযুক্ত ছালফাদ্বয়ক পলাতক ঘোষণা কৰাৰ বিৰুদ্ধে আদালতত আপত্তি প্ৰদৰ্শন। অধিবক্তাৰ যুক্তি- ছালফা দ্বয়ে মুকলি ভাবে ঘূৰা পকা কৰা ঠিকা ব্যৱসায় কৰা, সভা সংগঠন কৰা আৰু প্ৰশাসনৰ লগত যোগাযোগ কৰি থকা অৱস্থাত পলাতক হ'ব নোৱাৰে।

**৫ ডিচেম্বৰঃ ২০০০ ঃ** চি বি আইৰ আৰক্ষী অধীক্ষক আৰু তদন্তকাৰী বিষয়াক অভিযুক্ত দুজনক পলাতক বুলি কৰা ঘোষণা সম্পৰ্কত ব্যাখ্যা দিয়াৰ বাবে ১৮ ডিচেম্বৰত আদালতত হাজিৰ হোৱাৰ নিৰ্দেশ।

**১৮ ডিচেম্বৰ, ২০০০ ঃ** পৰাগ হত্যাকাৰীক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে প্ৰচেষ্টা চলোৱা কেইগৰাকীমান অধিবক্তা আৰু দালালৰ তৎপৰতাত আৰু আদালতৰ উদ্দেশ্য প্ৰণোদিত হস্তক্ষেপত অভিযোগনামা দাখিলৰ এমাহ পিচত আৰু বিষয়টো আদালতৰ বিবেচনাধীন হৈ থকা অৱস্থাত অভিযুক্ত ছালফা দুজনৰ আগতীয়া জামিন লাভ।

**৮ জানুৱাৰী ২০০১ ঃ** চি বি আইৰ দ্বাৰা দাখিল কৰা অভিযোগনামা বিচাৰ আদালতলৈ প্ৰেৰণ।

বৰ্তমানলৈকে (১৭/৫/২০০২) বিচাৰৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা নাই। বিগত ছটা বছৰত পৰাগ হত্যাৰ তদন্তৰ ক্ষেত্ৰত কেইটামান কথা মন কৰিলে আৰক্ষী, চি বি আই তথা ন্যায়ালয়ৰ ভূমিকা উপলব্ধি কৰিব পাৰি। অসম আৰক্ষীয়ে পৰাগ হত্যাৰ ঘটনাৰ মূল অভিযুক্ত ৰূপে প্ৰফুল্ল বড়াৰ নাম ঘোষণা কৰি সমগ্ৰ তদন্ত প্ৰক্ৰিয়াটোকে বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছিল। হত্যাৰ ঘটনাটোত যে আৰক্ষী বিভাগৰ একাংশ লোকো জড়িত হৈ আছিল, এই কথা সেই সময়ত বহুল ভাবে চৰ্চিত আৰু প্ৰকাশিত হৈছিল। পৰবৰ্তী সময়তো হত্যাকাৰী বুলি অভিযুক্ত হোৱা সকলৰ লগত আৰক্ষীৰ ঘনিষ্ঠ সম্পৰ্ক বৰ্ত্তি আছিল। এজনো ব্যক্তিক এই হত্যাকাণ্ডটোৰ বাবে আৰক্ষীয়ে আতক কৰা নাই। কাজল খান নামৰ ছালফা এজনক আৰক্ষীয়ে সোধপোচ কৰিবলৈ আতক কৰিছিল যদিও তেওঁ হেনো পলাই গৈছিল ইত্যাদি। আনহাতে, চি বি আই য়ে এই হত্যাৰ তদন্তৰ দায়িত্ব লোৱাৰ প্ৰায় এবছৰ পিছলৈকে তদন্তৰ নামত একো কৰা নাছিল। ১৯৯৭ চনৰ ২৮ জুলাইত ৰাষ্ট্ৰসংঘৰ মজিয়াত এই ঘটনাৰ বাবে ভাৰত চৰকাৰ সমালোচিত হোৱাৰ এসপ্তাহৰ পিছৰ পৰাহে চি বি আই-এ তদন্তৰ কাম কাজ আৰম্ভ কৰে। আনহাতে ১৯৯৮ চনতে তদন্তৰ কাম সম্পূৰ্ণ হোৱা আৰু শীঘ্ৰেই তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ কথা চি বি আইৰ তদন্তকাৰী বিষয়াই প্ৰকাশ কৰাৰ পিছত অস্বাভাবিক ভাবে উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰালৈকে চি বি আই নিশ্চুপ হৈ বহি থাকিল। অভিযোগ উঠামতে, হত্যাৰ তদন্তত সমগ্ৰ ষড়যন্ত্ৰটো ৰচনা কৰাত জড়িত থকা উচ্চ পদস্থ পুলিচ বিষয়া আদিৰ বিষয়ে পোহৰলৈ আহিছিল, যিটোৱে প্ৰশাসন ব্যৱস্থাটো এই হত্যাৰ পৰিকল্পনাত জড়িত থকাৰ কথা প্ৰকাশ কৰিলেহেঁতেন। সেয়ে চি বি আই হঠাতে স্থবিৰ হৈ পৰিল আৰু পিচত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত কেৱল হত্যাকাৰী চাৰিজনতে তদন্তৰ সীমা সামৰি প্ৰতিবেদন দাখিল কৰা হ'ল। এই অভিযোগৰ লগতে ৯৮ চনতে তদন্ত শেষ কৰিও প্ৰতিবেদন দাখিল নকৰা আৰু জীৱিত অভিযুক্ত দুজন মুক্ত ভাবে ঘুৰি থকা স্বত্বেও তেওঁলোকক পলাতক বুলি ঘোষণা কৰি আতক নকৰাৰ কোনো সদুত্তৰ চি বি আইয়ে দিব নোৱাৰিলে। এই কথাবোৰে ভাৰতৰ সৰ্বোচ্চ তদন্তকাৰী সংস্থা চি বি আইৰ নিৰপেক্ষতাৰ সম্পৰ্কত নিশ্চিত ভাবেই প্ৰশ্ন উত্থাপন কৰিব। একেদৰে, গোচৰটোৰ অভিযোগনামা দাখিল হোৱাৰ পিচত কি দৰে দুজন অভিযুক্তই আগতিয়া জামিন লাভ কৰে, তাৰ ব্যাখ্যাও উচ্চ ন্যায়ালয়ে দিব নোৱাৰে।

কিন্তু এনেবোৰ ঘটনাৰ পিচতো অসমৰ পৰিবৰ্তনকামী সচেতন ৰাইজে গভীৰ ভাবে আশা প্ৰকাশ কৰে যে অধিক কাল বিলম্ব নকৰি ন্যায়ালয়ে জীৱিত অভিযুক্ত দুজনৰ বিচাৰ কৰিব আৰু উপযুক্ত শাস্তি প্ৰদান কৰিব। ৰাইজে এই মতো পোষণ কৰে যে পৰাগ হত্যাৰ ক্ষেত্ৰত যদি তাৎক্ষনিক ভাবে যথোচিত ব্যৱস্থা লোৱা গলহেঁতেন, তেন্তে পৰবৰ্তী পৰ্যায়ত এই হত্যাৰে আৰম্ভ হোৱা গুপ্তহত্যাৰ অভিযানত কেবাশ নিৰীহ

আৰু নিৰ্দোষী লোকৰ প্ৰাণহানি হোৱা এক কলংকিত তথা ৰক্তাক্ত অধ্যায়ৰ সূচনা নহলহেঁতেন। অৱশ্যে যদি এনে গুপ্তহত্যা অভিযানৰ সিদ্ধান্ত প্ৰশাসনৰ আছিল, তেন্তে কোনে তাক প্ৰতিৰোধ কৰিব?



## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী-২


### চেনীৰাম নাথ, ৩১ মে' ১৯৯৭ :

অঞ্চলটোৰ অধিকাংশৰে 'মামা' ৰূপে পৰিচিত কৃষক যুৱক ৩৫ বছৰীয়া চেনীৰাম নাথ 'মাছ' ৰ নগাওঁ জিলাৰ অন্তৰ্গত হাতীচোং আঞ্চলিক সমিতিৰ অধ্যক্ষৰ দায়িত্বত আছিল। ঘৰ বেবেজীয়াৰ ওচৰৰ জামুগুৰিত।

১৯৯৭ চনৰ ৩০ মে' তাৰিখে ৰাতি ভাত খোৱাৰ পিছত চেনীৰাম নাথ ওচৰৰে শ্ৰীলংকেশ্বৰ নাথৰ ঘৰৰ চোতালত বহি কথা পাতি আছিল। তেনেতে(১০ মান বজাত) সেনা বাহিনীৰ দল এটাই হঠাতে সেই স্থানত উপস্থিত হয় আৰু চেনীৰাম নাথক ঘৰৰ চোতালতে ধৰি মৰিয়াবলৈ ধৰে। চেনীৰামৰ চিঞৰত গাৱঁৰ মানুহ গোট খোৱাত সেনাই নাথক লৈ আতৰি যায়। পিচদিনা অঞ্চলটোৰ কেবাশ মহিলা-পুৰুষে এই নিৰ্দোষী যুৱক জনৰ মুক্তিৰ দাবীত নগাওঁ জিলাৰ উপায়ুক্ত এচ আৰ্‌চাটীক স্মাৰক পত্ৰ প্ৰদান কৰে। উপায়ুক্ত গৰাকীয়ে প্ৰতিবাদী ৰাইজক এই বুলি আশ্বাস দিয়ে যে তেওঁ চেনীৰাম নাথক আৰক্ষীৰ জিম্মালৈ হস্তান্তৰ কৰাৰ বাবে তৎক্ষনাৎ ব্যৱস্থা গ্ৰহণ কৰিব আৰু যদি আৰক্ষী চকীত নাথৰ বিৰুদ্ধে কোনো অভিযোগ নাই, তেন্তে তেওঁক মুকলি কৰি দিয়া হব। আশ্চৰ্য্যকৰ ভাবে পিচদিনা নগাওঁ মহখুলিত থকা ১৩ নং মাহাৰ ৰেজিমেন্টৰ সেনাই চেনীৰাম নাথৰ মৃতদেহ নগাওঁ আৰক্ষী থানাত চমজাই দি কলে যে দুৰ্ধৰ্ষ আলফা চেনীৰাম নাথে সেনা বাহিনীক 'আলফাৰ ঘাটি' দেখুৱাবলৈ নি থকা অৱস্থাত শেনচোৱা ৰেলৱে ক্ৰচিঙৰ ওচৰত পলাবলৈ চেষ্টা কৰোতে সেনাৰ গুলিত নিহত হয়। সেনাৰ এই ভাষ্যৰ বিপৰীতে, চেনীৰাম নাথৰ মৃত শৰীৰত দেখা গল অজস্ৰ ক্ষতচিহ্ন। মৃতদেহটোৰ মূৰৰ পিচফালৰ খোলা ভাঙি আতৰাই দিয়া হৈছিল আৰু দুয়োটা ভৰিত চোকা অস্ত্ৰৰে কটা গভীৰ দাগ। তদুপৰি, সেনাই উল্লেখ কৰাৰ দৰে শেনচোৱা ৰেলৱে ক্ৰচিঙৰ ওচৰত ৩১মে' তাৰিখে কোনো গুলীয়াগুলি বা সেনা অভিযানৰ ঘটনা সংঘটিত হোৱা নাছিল বুলি স্থানীয় লোকে প্ৰকাশ কৰিছে। সেয়ে ঘটনাটো যে নিৰ্যাতন কৰি সেনাৰ জিম্মাত হত্যা কৰাৰ এক ঘটনা, তাত কোনো সন্দেহ নাই।

এই ঘটনাৰ এদিন পিচতে অৰ্থাৎ ২ জুন তাৰিখে সেই সময়ৰ অসম মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ এচ এন ভাৰ্গৱ মাজুলীলৈ যোৱাৰ বাটত নগাওঁ আৱৰ্ত্ত ভৱনত জিৰণি লয়। সেই সময়তে 'মাছ'ৰ সচিব বুবুমনি গোস্বামীৰ নেতৃত্বত এটা সজাতি দলে আয়োগৰ অধ্যক্ষ গৰাকীক লগ ধৰি ঘটনাটো দৃষ্টি আকৰ্ষণ

কৰে আৰু তেওঁক সেই সময়লৈকে দাহ নকৰা মৃতদেহটো চাবলৈ অনুৰোধ কৰে। কিন্তু সেনা বাহিনীৰ কাৰ্যকলাপৰ ওপৰত কোনো কৰ্তৃত্ব নথকা আয়োগৰ অধ্যক্ষ গৰাকীয়ে বিষয়টোত গুৰুত্ব দিবলৈ অস্বীকাৰ কৰে। ৪ জুন তাৰিখে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক লোকে চেনীৰাম হত্যাৰ বিচাৰ দাবী কৰি নগাওঁ জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী পালন কৰে। ৬ জুন তাৰিখে মাছৰ লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, চাহ জনজাতি স্বেচ্ছাসেৱক বাহিনী, সদৌ অসম ছাত্ৰ সংস্থা, চাহ জনজাতি ছাত্ৰ সংস্থা আদিৰ নগাওঁ জিলা সমিতি সমূহে যৌথ ভাবে নগাওঁ জিলা বন্ধৰ কাৰ্যসূচী ৰূপায়ন কৰে। কিন্তু জিলা প্ৰশাসনে ঘটনাটোৰ ন্যায়িক তদন্তৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। বৰং উচ্চ ন্যায়ালয়ত গোচৰ তৰা ৰ বাবে পৰিয়ালৰ লোকে গোচৰৰ প্ৰতিলিপি বিচাৰিও আঠমাহ কাল হাবাথুৰি খাব লগা হ'ল। অৱশেষত ১৯৯৮ চনৰ প্ৰথমাৰ্দ্ধত উচ্চ ন্যায়ালয়ত সেনাৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰা হ'ল। ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে নগাওঁ জিলা চেছন ন্যায়াধীশে এক তদন্ত কৰি উচ্চ ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিছে। গোচৰটো বৰ্ত্তমানো উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন অৱস্থাত আছে।



## মানৱ অধিকাৰ কৰ্মীৰ হত্যাৰ ঘটনাৱলী ঃ ৩

## লতিকা কছাৰী, ১২ আগষ্ট, ১৯৯৮


'মাছ'ৰ নলবাৰী জিলা সমিতিৰ সদস্যা লতিকা কছাৰীৰ ঘৰ নলবাৰী জিলাৰ বৰমা থানাৰ অৰ্ন্তগত ন-কছাৰী গাঁৱত। ১২ আগষ্ট, ১৯৯৮ চনৰ সেই অভিশপ্ত দিনটোত ঘৰৰ মুৰব্বী তথা লতিকাৰ পিতৃ খগেন দাস ওচৰৰে মানিকপুৰলৈ গৈছিল নাতি ভাস্কৰৰ জন্মদিন উপলক্ষে বংশৰ আনলোকক নিমন্ত্ৰণ জনাবলৈ। পৰিয়ালটোৰ আন এজন সদস্য, লতিকাৰ ককায়েক দীপক দাস ওৰফে মিথিংগা দৈমাৰী 'আলফা'ৰ প্ৰচাৰ সচিব। সেয়ে তেওঁও আছিল অনুপস্থিত। কিনকিনিয়া বৰষুণত পৰিয়ালটোৰ সদস্য সকল সোনকালে ভাত খাই নিশা দহমান বজাত শুই পৰিছিল। নিশা ১২:৪৫ মান বজাত অবিৰত কলিং বেলৰ শব্দত লতিকাই দৰজা খুলি দিয়াৰ লগে লগে সশস্ত্ৰ ঘাতকৰ গুলিত ঢলি পৰে। মুখত কলা কাপোৰ বান্ধি যোৱা সশস্ত্ৰ ঘাতকৰ দলটো ভিতৰলৈ সোমাই যায় আৰু সন্মুখত যাকে পায়, তাকে গুলীয়াই হত্যা কৰি কিছু সময়ৰ পিচত বৰ্ষামুখৰ আন্ধাৰ নিশা আতৰি যায়গৈ। ঘাতকৰ গুলিত মৃত্যু হয় লতিকাৰ ৬০ বছৰীয়া মাতৃ ফুলেশ্বৰী শইকীয়া দাস, লতিকাৰ ডাঙৰ ককায়েক জনপ্ৰিয় চিকিৎসক ডাঃ ধৰনীধৰ দাস, বৌয়েক ৰূপজ্যোতি দাস। ভাগ্যক্ৰমে ডাঃ দাসৰ শিশু সন্তান ভাস্কৰ আৰু ঘৰখনলৈ অহা আলহী নিৰ্মালি দাস আৰু কামকৰা ছোৱালী চ'নী ঘাতকৰ গুলিৰ পৰা ৰক্ষা পৰে। উল্লেখযোগ্য যে সেইদিনাই বিয়লি ৩ মান বজাত গুৱাহাটীৰ জু-নাৰেঙ্গী পথত ছালফা তপন দত্তক সন্দেহযুক্ত

'আলফা' সদস্যই হত্যা কৰে। প্ৰচাৰ হোৱা মতে এই হত্যাৰ পোতক তুলিবলৈকে সশস্ত্ৰ ছলফা ঘাতকে 'আলফা'ৰ প্ৰচাৰ সচিবৰ নিৰীহ পৰিয়ালটোক বাচি লৈছিল, য'ত মানৱ অধিকাৰ কৰ্মী লতিকা কছাৰীও নিহত হয়। পৰিয়ালৰ এজন সদস্য 'আলফা' হোৱা বাবেই বাকী নিৰ্দোষী সদস্য কেইজনক নৃশংস ভাৱে হত্যা কৰা এই ঘটনাটোৱে ৰাজ্যখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে যদিও তদনান্তিন অগপ চৰকাৰখনে ঘটনাটো তদন্ত কৰাৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে। সেই সময়ত প্ৰকাশ পোৱা মতে ১২/১৪ জনীয়া ঘাতকৰ দলটো টাটা চুমু গাড়ীত গুৱাহাটীৰ পৰা গৈ হত্যাকাণ্ডটো সংঘটিত কৰি পুনৰ গুৱাহাটীলৈ ঘুৰি আহে। গুৱাহাটীৰ পৰা নলবাৰীৰ মাজত কেইবাটাও আৰক্ষী আৰু সেনাৰ তালাচী চকী থকা অৱস্থাত প্ৰশাসনৰ পৃষ্ঠপোষকতা নহলে যে হত্যাকাৰীয়ে এনেদৰে গাড়ীত গৈ হত্যাকাণ্ডটো সংঘটিত কৰি পুনৰ নিৰ্বিঘ্নে ঘুৰি আহিব নোৱাৰে, সি সহজে অনুমেয়। যি নহওক, গুপ্তহত্যা বন্ধ কৰা আৰু তদন্ত কৰাৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনত জয়লাভ কৰা তৰুন গগৈৰ কংগ্ৰেছ (ই) চৰকাৰে শেহতীয়াকৈ গঠন কৰি দিয়া অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মীৰা শৰ্মা আয়োগক আন কেইবাটাও ঘটনাৰ লগতে এই ঘটনাটোও তদন্তৰ বাবে দিয়া হৈছে।

## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী : ৪

## অতুল ফাংচু, ৩১ আগষ্ট, ১৯৯৮

কামৰূপ জিলাৰ চন্দ্ৰপুৰ আৰক্ষী চকী অৰ্ন্তগত ঠাকুৰকুছি গাঁৱৰ পৰা ৩১ বছৰীয়া অতুল ফাংচু 'মাছৰ' সক্ৰিয় কৰ্মী আছিল। ব্যৱসায় সুত্ৰে বামুনীমৈদামৰ বেলৱে কলনিত সম্পৰ্কীয় লোকৰ সৈতে থকা ফাংচুক ৩১ আগষ্ট, ১৯৯৮ তাৰিখে ৰাতি ৯ মান বজাত নিজকে বিশেষ পুলিচৰ লোক বুলি চিনাকি দিয়া সশস্ত্ৰ যুৱকৰ দল এটাই বামুনীমৈদামৰ ৰেলৱে ক'লনিৰ ঘৰৰ পৰা মাতি নিয়ে। যাওতে পৰিয়ালৰ লোকক কৈ যায় যে ওচৰতে থকা জনৈক অভিজিতৰ ঘৰ দেখুৱাই দিয়াৰ পিচত এৰি দিব। কিন্তু ফাংচু নিশা ঘৰলৈ ঘুৰি নাহিল। বৰং পিচদিনা ওচৰৰে গীতানগৰ অঞ্চলত অতুল ফাংচুৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ হ'ল। আৰক্ষীয়ে এই সম্পৰ্কত এটা গোচৰ ৰুজু কৰে যদিও প্ৰথমে বামুনীমৈদামত থকা সম্পৰ্কীয় লোকক অভিযুক্ত কৰে, পিচত চন্দ্ৰপুৰত থকা পৰিয়ালৰ লোকক অভিযুক্ত কৰে আৰু শেষত ফাংচুৰ বন্ধু মহলৰ ভিতৰতে কোনোবাই হত্যা কৰিছে বুলি ঘোষনা কৰি নিজৰ দায়িত্ব সামৰনি মাৰে। ঘটনাটোৰ কোনো বিশেষ তদন্তৰ ব্যৱস্থা কৰা নহল।



## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী : ৫


## মহেশ নাথ, ১ জানুৱাৰী, ১৯৯৮

গোৱালপাৰা জিলাৰ আগিয়াৰ ওচৰৰ নিশিন্তা গাঁৱৰ ৪৮ বছৰীয়া মহেশ নাথ

পেশাত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছিল। জিলাখনত 'মাছ' সংগঠনৰ জন্মদাতা আৰু স্থানীয় প্ৰায় সকলো ৰাজহুৱা কাৰ্যত আগভাগ লোৱা এই সৰবৰহী লোকজন 'মাছ'ৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সচিব ৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। মহেশ নাথৰ একমাত্ৰ ভাতৃজনৰ কেইমাহমানৰ পূৰ্বে মৃত্যু হৈছিল আৰু মহেশ নাথৰ মৃত্যুৰ সময়ত শৰ্যাসায়ী হৈ থকা বৃদ্ধ পিতৃও ইয়াৰ এসপ্তাহৰ পিচতে পুত্ৰশোকত মৃত্যুক আকোৱালি লয়। পুত্ৰ-কন্যাৰে বৃহৎ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তি আছিল মহেশ নাথ। ১৯৯৮ চনৰ প্ৰথম জানুৱাৰী তৰিখটোতে বিয়লি প্ৰায় ৪ মান বজাত নিৰ্মল বিশ্বাস আৰু ভগীৰথ নাথ নামৰ দুজন বন্ধুৰ সৈতে ওচৰৰে পাইকান গাঁৱত থকা নিজৰ বায়েকৰ ঘৰৰ পৰা ঘূৰি আহি থকা অৱস্থাত হঠাতে তেওঁলোকৰ সন্মুখত এখন মাৰুতি গাড়ী ৰয়। গাড়ীৰ পৰা জিলাখনৰ কেইজনমান সশস্ত্ৰ ছালফা সদস্য নামি আহি মহেশ নাথক বলপূৰ্বক ভাবে নিজৰ গাড়ীত উঠাই আতৰি যায়। ইয়াৰ এঘন্টামানৰ পিচতে সশস্ত্ৰ 'ছালফা'ৰ দলটোৱে মহেশ নাথক হত্যা কৰি কৃষ্ণাই এলেকাত পেলাই থৈ যায়গৈ। পিচদিনা পুৱা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰনোত্তৰ পৰীক্ষাৰ পিচত পৰিয়ালৰ লোকক চমজাই দিয়ে। কিন্তু গোচৰটো তদন্ত কৰা, কিম্বা চাক্ষুস সাক্ষী কেইজনৰ পৰা জবান বন্দি লৈ হত্যাকাৰী ছালফা সদস্যক কৰায়ত্ত কৰাৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে।

## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী ঃ ৬

## নৃপেন শৰ্মা, ৫ এপ্ৰিল, ১৯৯৯



বৰপেটা জিলাৰ পটাছাৰকুছি থানাৰ অৰ্ন্তগত ধৰমতলা গাঁৱৰ বাসিন্দা ৩০ বছৰীয়া নৃপেন শৰ্মা 'মাছ'ৰ পটাছাৰকুছি আঞ্চলিকৰ সভাপতি আছিল। স্থানীয় বিভিন্ন সামাজিক কামত জড়িত নৃপেন শৰ্মা ঘটনাটোৰ দহদিন পিচতে হৰলগা আঞ্চলিক বিহু সমিতিৰ সম্পাদকৰ দায়িত্বত আছিল। ৪ এপ্ৰিলৰ নিশা প্ৰায় ডেৰ মান বজাত মুখত ক'লা কাপোৰ বন্ধা সশস্ত্ৰ লোকে নৃপেন শৰ্মাৰ ঘৰ ঘেৰাও কৰি পটাছাৰকুছি থানাৰ পুলিচ বুলি চিনাকি দি দৰজা খুলিবলৈ কয়। নৃপেন শৰ্মা আৰু ভনীয়েক হীৰন দেৱীয়ে দৰজা খুলি দিয়াৰ পিচত দুজন অসামৰিক পোছাকত থকা সশস্ত্ৰ লোক ঘৰৰ ভিতৰলৈ সোমাই যায়, যি দুজনক পিচদিনা পটাছাৰকুছি থানাত মহকুমা আৰক্ষী বিষয়া জিৎমল দলে আৰু ভাৰপ্ৰাপ্ত বিষয়া নগেন বৰা বুলি হীৰন দেৱীয়ে চিনাক্ত কৰে। লোক দুজনে নৃপেন শৰ্মাক বিভিন্ন কথা সুধি ঘৰৰ ভিতৰতে মাৰধৰ কৰে আৰু পিচত পৰিয়ালৰ আন সকলোকে শোৱাৰ পৰা জগাই ঘৰত তালাচি চলায়। তালাচিৰ অন্তত পিচদিনা পৰিয়ালৰ লোকক থানালৈ মাতি নৃপেন শৰ্মাক লৈ দলটো আতৰি যায়। পিচদিনা ভনীয়েক হিৰন দেৱী পটাছাৰকুছি থানালৈ গৈ নৃপেন শৰ্মাৰ বিষয়ে সোধপোছ কৰাত আৰক্ষীয়ে আগনিশা নৃপেন শৰ্মা নামৰ কোনো লোকক আতক কৰা নাই বুলিহে জানিবলৈ দিয়ে। কিংকৰ্ত্তব্যবিমূঢ়

হিৰন দেৱীয়ে আৰক্ষীৰ পৰামৰ্শ মৰ্মে থানাত নিৰুদ্দেশৰ এক এজাহাৰ দাখিল কৰে। ঘটনাটোৰ বিষয়ে প্ৰকাশ হোৱাৰ লগে লগে 'মাছ'ৰ আঞ্চলিক সমিতি, আছু আৰু যুৱ ছাত্ৰ পৰিষদৰ স্থানীয় সমিতি, স্থানীয় বজাৰ সমিতি, নৃপেন শৰ্মা সম্পাদক ৰূপে থকা বিহু সমিতি লগ হৈ নৃপেন শৰ্মাৰ মুক্তিৰ দাবীত পাটাছাৰকুছি বন্ধ পালন কৰাৰ উপৰিও জিলা উপায়ুক্তক লগ ধৰি নৃপেন শৰ্মাৰ মুক্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই স্মাৰক পত্ৰ প্ৰদান কৰে। কিন্তু পিচদিনা, অৰ্থাৎ ৫ এপ্ৰিল তাৰিখে বিয়লিবেলা নৃপেন শৰ্মাৰ ক্ষতবিক্ষত দেহ ভবানীপুৰ থানাৰ অন্তৰ্গত ধমাৰপুৰ অঞ্চলৰ পহুকটা নদীত উদ্ধাৰ হয়।

পিচদিনা 'মাছ'ৰ এক প্ৰতিনিধি দলৰ সন্মুখত জিলা খনৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ উপস্থিতিত নৃপেন শৰ্মাৰ ঘৰত নৃপেন শৰ্মাৰ ভনী হিৰন দেৱী আৰু অন্যান্য সকলে মহকুমা আৰক্ষী বিষয়া জিৎমল দলে আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নগেন বৰাক নৃপেনক ঘৰৰ পৰা তেওঁলোকেই উঠাই নি হত্যা কৰে বুলি অভিযোগ দিয়ে। পৰিয়ালৰ মতে বাকী সশস্ত্ৰ লোক সকলৰ মুখত কাপোৰ বন্ধা আছিল বাবে চিনি নেপালেও অসামৰিক পোছাকত থকা মহকুমা আৰক্ষী বিষয়া আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক ঠিকেই চিনি পাইছে। আনহাতে, মহকুমা বিষয়া গৰাকীয়ে তেওঁৰ ওপৰত উঠোৱা অভিযোগ অস্বীকাৰ কৰি কয় যে আৰক্ষী নহয়, ছালফা সদস্য তীৰ্থ ভূঞা আৰু তেওঁৰ দলহে ঘটনাটোত জড়িত। এই দলটোৰ ওপৰত আৰক্ষীয়ে ব্যৱস্থা গ্ৰহন কৰাৰ কথা কৈছিল যদিও আজি পৰ্যন্ত এজনো লোকক এই ঘটনাটোৰ বাবে আতক কৰা কিম্বা তদন্ত কৰা নহল।

## মানৱ অধিকাৰ কৰ্মী হত্যাৰ ঘটনাৱলী ঃ ৭

## প্ৰতুল শৰ্মা, ২৭ নবেম্বৰ, ১৯৯৮

খাৰঘুলিৰ হেপিভিলা নিবাসী প্ৰতুল শৰ্মা এজন ব্যৱসায়ী যুৱক। গুৱাহাটী ক্লাবৰ এচৰত হোটেল ড'ন নামৰ প্ৰতিষ্ঠানটো চলাই জীৱন নিৰ্বাহ কৰে। এই সৰবৰহী যুৱকজন 'মাছ'ৰ শুভাকাংক্ষী সদস্য। ১৯৯৮ চনৰ ২৭ নবেম্বৰ তাৰিখে সন্ধ্যা ৮:৩০ মান বজাত ৰঙা মাৰুতি ভানত অহা সশস্ত্ৰ যুৱকৰ দল এটা হোটেল খনত সোমায়। তেওঁলোকে প্ৰথমে হোটেলত কামকৰা লোকৰ পৰা প্ৰতুল শৰ্মাৰ বিষয়ে জানি লয় আৰু ভিতৰত কাম কৰি থকা শৰ্মাক 'চাৰে' মাতিছে বুলি বাহিৰলৈ মাতি আনে। যুৱকৰ দলটোৱে গাড়ীৰ ওচৰলৈ প্ৰতুল শৰ্মাক নি বলপূৰ্বকভাৱে গাড়ীত উঠাই আতৰি যায়। নিশা দেৰিলৈকে প্ৰতুল শৰ্মা ঘুৰি নহাত পৰিয়ালৰ লোকে স্থানীয় আৰক্ষীচকীত এজাহাৰ দিয়ে যদিও আৰক্ষীয়ে শৰ্মাক উদ্ধাৰৰ বাবে কোনো ব্যৱস্থা গ্ৰহন নকৰিলে। পিচদিনা বিয়লি গুৱাহাটীৰ পৰা প্ৰায় ১০০ কিঃ মিঃ দুৰত নগাওঁ জিলাৰ ৰহা থানাৰ অন্তৰ্গত

জোঙাল বলহু গড়ৰ ওচৰত প্ৰতুলৰ হাত ভৰি বন্ধা গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ হয়। প্ৰতুলৰ পিতৃয়ে এই ঘটনাৰ তদন্ত বিচাৰি ভাৰতৰ ৰাষ্ট্ৰপতি, ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আদিলৈ আবেদন জনায় যদিও চৰকাৰ বা প্ৰশাসনে ঘটনাটোৰ কোনো তদন্তৰ ব্যৱস্থা নকৰিলে।

## মানৱ অধিকাৰ কৰ্মীৰ হত্যাৰ ঘটনাৱলী : ৮

## দশম সোনোৱাল, ১৯ মাৰ্চ, ১৯৯৯

শিৱসাগৰ জিলাত ৯৮-৯৯ চনত কৰবলৈ গলে সশস্ত্ৰ ছালফা সকলৰ শাসন চলি আছিল। জিলা প্ৰশাসন আছিল হয় ছালফা সকলৰ পৃষ্ঠপোষক কিম্বা নিৰ্বাক-নিস্পন্দ। সশস্ত্ৰ ছালফা সদস্য সকলে আলফা বিৰোধী অভিযান নিজাকৈ পৰিচালনা কৰাই নহয়, শিৱসাগৰ চহৰত নিজাকৈ 'কনচেণ্ট্ৰেচন কেম্প' (নিৰ্যাতন কক্ষ) তৈয়াৰ কৰি আলফা সদস্যৰ পৰিয়াল বা সমৰ্থকক ধৰি আনি তাত দিনৰ পিচত দিন ধৰি অত্যাচাৰ কৰি হত্যা পৰ্যন্ত কৰি গৈছিল। জিলাখনত কেইবাটাও নিৰ্বিচাৰ হত্যাৰ ঘটনা ছালফা সকলে সংগঠিত কৰাৰ পিচত আৰক্ষীয়ে তাৰ দ্বায়িত্ব বহন কৰিছিল। আনকি উন্নয়ন মূলক বা তথাকথিত উৎপাদন মূলক কামকাজো ছালফা সকলেই চলাইছিল। তেওঁলোকৰ লগত সহযোগ নকৰা আন ছালফা সদস্যকো ৰেহাই দিয়া নহৈছিল। 'আলফা'ৰ সভাপতিৰ ককায়েক ডিম্বধৰ ৰাজকোঁৱৰৰ শ্ৰাদ্ধত অংশ গ্ৰহন কৰাৰ অপৰাধত জিলাখনৰ প্ৰায় ডেৰকুৰি শিক্ষকক ধৰি আনি মুকলি ভাৱে বেতাঘাত কৰাৰ ঘটনা উল্লেখযোগ্য। এওঁলোকৰ হাততেই ১৯৯৯ চনৰ ১৯ মাৰ্চ তাৰিখে মৃত্যু হয় 'মাছ'ৰ কৰ্মী নিতাইপুখুৰীৰ নেমুকুৰ গাৱঁৰ ২৭ বছৰীয়া দশম সোনোৱালৰ। ঘটনাৰ দিনা দিনৰ ২ মান বজাত হঠাতে টাটা চুমু আৰু মাৰুতী জিপছিত যোৱা ১৫/২০ জনীয়া সশস্ত্ৰ ছালফাৰ দল এটা দশম সোনোৱালৰ ঘৰৰ সন্মুখত নামি ঘৰলৈ সোমাই যায়। ইতিমধ্যে এনেকৈয়ে জিলাখনত ডেৰকুৰি মান লোকক হত্যা কৰা গুপ্তঘাতকৰ দলটো ৰুদ্ৰমুৰ্ত্তি ধৰি খেদি অহা দেখি দশম সোনোৱাল নিজা ঘৰৰ বাৰীৰ ফালে দৌৰ মাৰে। সশস্ত্ৰ ছালফাৰ দলটোৱে দশমক খেদি নি বাৰীতে গুলীয়াই হত্যা কৰে। আশ্চৰ্যকৰ ভাৱে পিচত আৰক্ষীয়ে ঘটনাটোৰ দায়িত্ব স্বীকাৰ কৰি প্ৰকাশ কৰে যে সোনোৱাল নামৰ 'আলফা'ৰ সদস্যজন আৰক্ষীৰ লগত সংঘৰ্ষত মৃত্যু হয়। ৰহস্যজনক কথাটো হ'ল যে আৰক্ষীৰ মতেও দশম সোনোৱালৰ হাতৰ পৰা কিম্বা তেওঁৰ ঘৰৰ পৰা কোনো অস্ত্ৰ শস্ত্ৰ উদ্ধাৰ হোৱা নাছিল। ২১ মাৰ্চৰ দিনা অঞ্চলটোৰ কেবাশ লোকে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত ঘটনাটোৰ ন্যায়িক তদন্ত বিচাৰি এক স্মাৰক পত্ৰ প্ৰদান কৰে। কিন্তু 'ছালফা'ক আইন শৃংখলাৰ দায়িত্ব আৰু আলফা বিৰোধী অভিযান চলাবলৈ দায়িত্ব দিয়া জিলা প্ৰশাসনে ঘটনাটোৰ তদন্তৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে।

## মানৱ অধিকাৰ কৰ্মী সন্ধানহীন ঃ

## নবীন তামূলী, ২৭ এপ্ৰিল, ১৯৯৯

তিনিচুকীয়া জিলা 'মাছ'ৰ উপদেষ্টা ৪২ বছৰীয়া নবীন তামূলীৰ ঘৰ নাহৰকটীয়াৰ ওচৰত। পেশাত খেতিয়ক। ঘটনাৰ দিনা ২৭ এপ্ৰিল, ১৯৯৯ তাৰিখে নিশা ১১:৩০ মান বজাত ৬ জন সশস্ত্ৰ লোকে নবীন তামূলীৰ ঘৰলৈ গৈ তেওঁৰ নাম ধৰি মাতি দৰজা খুলিবলৈ কয়। দৰজা খুলি নবীন তামূলীয়ে সন্মুখত তিনিজন সামৰিক পোছাক পৰিহিত আন তিনিজন অসামৰিক পোছাক পৰিহিত, মুখত ক'লা কাপোৰ মৰা সশস্ত্ৰ লোক দেখি ভয়ত লগে লগে দৰজা বন্ধ কৰি দিয়ে, কিন্তু সশস্ত্ৰ লোক কেইজনে পিছফালৰ বাঁহৰ দৰজা ভাঙি ঘৰৰ ভিতৰত সোমাই আৰু পৰিয়ালৰ আন সকলৰ সন্মুখতে নবীন তামূলীক ধৰি তেওঁলোকৰ মাৰুতী গাড়ীত লৈ আতৰি যায়। পিচদিনা পৰিয়ালৰ লোকে স্থানীয় আৰক্ষী চকী আৰু সেনা শিবিৰত নবীন তামূলীৰ বিষয়ে সোধপোছ কৰিও কোনো খবৰ নাপালে। 'মাছ'ৰ স্থানীয় সমিতিয়ে বিষয়টো জিলা উপায়ুক্তক অৱগত কৰি তেওঁৰ নিৰাপদ উদ্ধাৰৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই এখন স্মাৰক পত্ৰ দাখিল কৰে। কিন্তু জিলা প্ৰশাসন কিম্বা আৰক্ষীয়ে ঘটনাটো তদন্ত কৰাৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে। আজি পৰ্য্যন্ত নবীন তামূলীৰ কোনো সন্ধান পোৱা নগল। এই ঘটনাৱলীৰ উপৰিও 'মাছ'ৰ অধিকাংশ কৰ্মী বিষয়ববীয়াক যোৱা এটা দশকত আৰক্ষী কিম্বা সেনাৰ লোকে বিভিন্ন মনেসজা অভিযোগত আতক কৰিছে আৰু নিৰ্যাতন চলাইছে। শেহতীয়াকৈ আৰক্ষীৰ সহযোগত গোৱালপাৰা, ডিব্ৰুগড়, নগাওঁ আদি জিলাত ছালফাৰ হতুৱাই প্ৰশাসনে 'মাছ'ৰ কৰ্মীক 'মাছ' ত্যাগ কৰাৰ বাবে ভাবুকি প্ৰদান কৰিছে।

'মাছ'ৰ কৰ্মী সকলে প্ৰশাসন-ছালফা-সেনাৰ এই আক্ৰমন, হত্যা-নিৰ্যাতন, ভাবুকি-গ্ৰেপ্তাৰৰ পিচতো নিজৰ দ্বায়িত্ব পালন কৰি যাবলৈ সংকল্প গ্ৰহন কৰিছে। কিন্তু নিজকে গণতান্ত্ৰিক বুলি কোৱা ৰাষ্ট্ৰ ব্যৱস্থা এটাই মানৱ অধিকাৰ সংগঠন এটাৰ ওপৰত চলোৱা জঘন্য আক্ৰমন অভাৱনীয়েই নহয়, চৰম গৰিহনা যোগ্য। আমি এনে আক্ৰমনৰ প্ৰতিটো ঘটনাৰ বিচাৰ দাবী কৰিছো আৰু আগলৈ এনে আক্ৰমন বন্ধ কৰিবলৈ দাবী জনাইছো।

আজি ১৭ মে, ২০০২ তাৰিখে 'মাছ'ৰ শ্বহীদ দিৱসত সকলো মানৱ অধিকাৰ সংগ্ৰামৰ শ্বহীদলৈ আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে ৰাষ্ট্ৰৰ সকলো কুটিল ষড়যন্ত্ৰ নেওচি মানৱ অধিকাৰ আন্দোলনটো আগুৱাই নিয়াৰ বাবে সংকল্প গ্ৰহণ কৰিছো।

"জয়তু মানৱ অধিকাৰ সংগ্ৰাম সমিতি"

-জয় আই অসম-

---

মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় প্ৰচাৰ গোটৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।